**NSD NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 13-05-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***

**Headlines**

১। দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত আজি অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। বিয়লি ৫ বজালৈকে সামগ্ৰিকভাৱে ৬২ দশমিক ৩-১ শতাংশ ভোটদান সম্পন্ন হয়।

২। লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে।

৩। চেণ্ট্ৰেল ব'ৰ্ড অব ছেকেণ্ডাৰী এডুকেশ্যন চমুকৈ চি বি এছ ইয়ে আজি দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে।

৪। ভাৰত আৰু ইৰাণে আজি ছাবাহাৰৰ শ্বহিদ বেহেষ্টি বন্দৰৰ দীৰ্ঘম্যাদী পৰিচালনাৰ সন্দৰ্ভত চুক্তিত স্বাক্ষৰ কৰে। *আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৯৬টা সমষ্টিত আজি অনুষ্ঠিত লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ প্ৰক্ৰিয়াৰ সামৰণি পৰিছে। দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য অনুসৰি বিয়লি ৫ বজালৈকে সমগ্ৰ দেশত ৬২ দশমিক ৩-১ শতাংশ ভোটদান সম্পন্ন হয়।

অন্ধ্ৰ প্ৰদেশত ৬৮ দশমিক ০-৪, বিহাৰত ৫৪ দশমিক ১-৪, জম্মু-কাশ্মীৰ ৩৫ দশমিক ৭-৫, ঝাৰখণ্ডত ৬৩ দশমিক ১-৪, মধ্যপ্ৰদেশত ৬৮ দশমিক ০-১, মহাৰাষ্ট্ৰত ৫২ দশমিক ৪-৯, ওড়িশাত ৬২ দশমিক ৯-৬, তেলেংগানাত ৬১ দশমিক ১-৬, উত্তৰ প্ৰদেশত ৫৬ দশমিক ৩-৫ আৰু পশ্চিম বংগত ৭৫ দশমিক ৬-৬ শতাংশ ভোটদান হোৱাৰ তথ্য পোৱা গৈছে। আজি ভোটগ্ৰহণ হোৱা ৯৬টা সমষ্টিৰ ভিতৰত অন্ধ্ৰ প্ৰদেশৰ ২৫টা, তেলেংগানাৰ ১৭টা, উত্তৰ প্ৰদেশৰ ১৩টা, মহাৰাষ্ট্ৰৰ ১১টা, মধ্যপ্ৰদেশ আৰু পশ্চিমবংগৰ ৮টাকৈ, বিহাৰৰ ৫টা, ওড়িশা আৰু ঝাৰখণ্ডৰ ৪টাকৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল জম্মু-কাশ্মীৰৰ এটা সমষ্টি আছে। এই পৰ্যায়ৰ বাবে মুঠ এহেজাৰ ৭১৭ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। লোকসভাৰ চতুৰ্থ পৰ্যায়ৰ সমান্তৰালভাৱে অন্ধ্ৰপ্ৰদেশৰ ১৭৫ জনীয়া বিধানসভাৰ আটাইকেইখন আসন আৰু ওড়িশা বিধানসভাৰ ১৪৭ খন আসনৰ ২৮ খনৰ বাবে ভোটগ্ৰহণ কৰা হৈছে। চতুৰ্থ পৰ্যায়ত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা আগশাৰীৰ নেতাসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি নেতা গিৰিৰাজ সিং, অৰ্জুন মুণ্ডা, জি কিষাণ ৰেড্ডী, অজয় কুমাৰ মিশ্ৰ, জে ডি ইউৰ

ৰাজীৱ ৰঞ্জন সিং, সমাজবাদী পাৰ্টীৰ অখিলেশ যাদৱ, কংগ্ৰেছ নেতা অধিৰৰঞ্জন চৌধুৰী, তৃণমূল কংগ্ৰেছৰ মহুৱা মৈত্ৰ, শত্ৰুঘ্ন সিনহা আৰু এ আই এ এমৰ আছাদুদ্দিন ওৱেছি অন্যতম।

চতুৰ্থ পৰ্যায়ৰ ভোটগ্ৰহণ সুকলমে সম্পন্ন কৰাৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ ১ লাখ ৯২ হাজাৰ ভোটগ্ৰহণ কেন্দ্ৰত ১৯ লাখৰো অধিক নিৰ্বাচনী বিষয়া নিয়োগ কৰা হয়।

০০০০

লোকসভা নিৰ্বাচনৰ পৰৱৰ্তী তিনিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান পূৰ্ণ গতিত অব্যাহত আছে। জ্যেষ্ঠ ৰাজনৈতিক নেতাসকলে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰাজহুৱা সভা আৰু ৰোড শ্বত অংশগ্ৰহণ কৰি জনসাধাৰণক আকৰ্ষিত কৰাৰ প্ৰয়াস অব্যাহত ৰাখিছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰত কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। তেওঁ ৰাজ্যখনৰ হাজিপুৰ, মুজাফ্‌ফৰপুৰ আৰু চাৰণত জনসভা সম্বোধন কৰি ৰাজ্যবাসীক দেশৰ উন্নয়নৰ বাবে ভোটদান কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে কয় যে, এন ডি এ চৰকাৰৰ শাসনকালত ভাৰতীয় অৰ্থনীতিৰ বিকাশ হৈছে আৰু নিয়োগৰ বিভিন্ন সুযোগ সৃষ্টি হৈছে। তেওঁ আৰ জে দি আৰু কংগ্ৰেছক স্বজন তোষণক ৰাজনীতিৰ প্ৰধান অস্ত্ৰ কৰি লোৱা বুলি অভিযোগ উত্থাপন কৰে। তেওঁ লগতে অভিযোগ কৰে যে, দুয়োটা দলে কোনো দিনে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰা নাই বৰং তেওঁলোকৰ পাছৰ প্ৰজন্মৰ বাবে সম্পত্তি গোটোৱাতহে ব্যস্ত আছে।

ইয়াৰ পূৰ্বে শ্ৰীমোদীয়ে পাটনা চহৰৰ টখট্‌ শ্ৰী হৰিমন্দিৰজী পাটনা চাহীব দৰ্শন কৰে। টখট্‌ শ্ৰী হৰিমন্দিৰজী পাটনা চাহীব হৈছে শিখ ধৰ্মাৱলম্বী লোকসকলৰ ৫ খন পূৰ্ণতীৰ্থস্থানৰ অন্যতম। সন্ধিয়াৰ ভাগত প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ প্ৰদেশৰ বাৰাণসীত এটা বৃহৎ ৰোডশ্বত অংশ লব। কাইলৈ তেওঁ বাৰাণসী লোকসভা আসনৰ বাবে মনোনয়ন পত্ৰ দাখিল কৰিব।

ইফালে, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি উত্তৰ প্ৰদেশৰ ৰায়বৰেলীত এখন জনসভা সম্বোধন কৰে। শ্ৰীগান্ধীয়ে কয় যে, যদি কংগ্ৰেছ আৰু আই এন ডি আই মিত্ৰজোট ক্ষমতালৈ আহে তেনেহলে তেওঁলোকে প্ৰথমেই দৰিদ্ৰ কৃষকৰ ঋণ মাফ কৰিব। বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি মহাৰাষ্ট্ৰৰ ধুলেত প্ৰচাৰ সভাত অংশ লয়। তেওঁ কয় যে, নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এন ডি এ চৰকাৰ পুনৰ ক্ষমতালৈ আহিলে ভাৰত তৃতীয় সৰ্ববৃহৎ অৰ্থনীতিত পৰিণত হব। কংগ্ৰেছৰ ১০ বছৰীয়া শাসনকালত ভাৰতীয় অৰ্থনীতি একাদশ স্থানত আছিল বুলি উল্লেখ কৰি শ্ৰীশ্বাহে লগতে কয় যে, ইয়াৰ পৰিৱৰ্তে এন ডি এ চৰকাৰে দেশক পঞ্চম স্থানলৈ উন্নীত কৰিলে।

অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপি নেতা ড০ হিমন্ত বিশ্ব শৰ্মাই আজি পঞ্জাৱৰ পাটিয়ালাত দলীয় প্ৰাৰ্থীৰ হৈ এটা ৰোড শ্বত অংশগ্ৰহণ কৰে। ড° শৰ্মাই কংগ্ৰেছ আৰু আম আদমী পাৰ্টীৰ বুজাবুজিয়ে পঞ্জাৱক সম্পূৰ্ণৰূপে ধবংস কৰিলে আৰু প্ৰগতিশীল পঞ্জাৱৰ বাবে এতিয়া বিজেপিয়ে হৈছে একমাত্ৰ বিকল্প বুলি মন্তব্য কৰে।

০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ-চি বি এছ্‌ ইয়ে আজি দশম আৰু দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। চি বি এছ্‌ ইয়ে প্ৰকাশ কৰা তথ্য অনুসৰি দশম শ্ৰেণীৰ পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৯৩ দশমিক ৬-০ শতাংশ। ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ ৯৪ দশমিক ৭-৫ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰৰ উত্তীৰ্ণ হাৰ ৯২ দশমিক ৭-১

শতাংশ। চি বি এছ্‌ ইৰ দশম শ্ৰেণীৰ ফলাফলত উত্তীৰ্ণ হাৰ বিগত বৰ্ষতকৈ শূন্য দশমিক ৪-৮ শতাংশ বৃদ্ধি পাইছে। আনহাতে দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ উত্তীৰ্ণৰ হাৰ ৮৭ দশমিক ৯-৮ শতাংশ। এই হাৰ যোৱা বছৰতকৈ দশমিক ৬-৫ শতাংশ বৃদ্ধি পোৱা বুলি ব'ৰ্ডে এটা বিবৃতি যোগে জনাইছে। ২৪ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯৫ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে আৰু এক লাখ ১৬ হাজাৰতকৈ অধিক পৰীক্ষাৰ্থীয়ে ৯০ শতাংশতকৈ অধিক নম্বৰ লাভ কৰিছে। পৰীক্ষাত সফলতা অৰ্জন কৰা শিক্ষাৰ্থীসকলক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে অভিনন্দন জ্ঞাপন কৰিছে। উল্লেখযোগ্য যে, এই বৰ্ষত প্ৰায় ৩৯ লাখ ছাত্ৰ-ছাত্ৰীয়ে দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিবিএছ্‌ইৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক শুভেচ্ছা জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে, তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ সফলতাক লৈ গৌৰৱবোধ কৰিছে। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক সকলো ক্ষেত্ৰতে সমৰ্থন আগবঢ়োৱা পৰিয়াল তথা শিক্ষাগুৰুসকলকো প্ৰশংসা কৰে। আনহাতে, এই পৰীক্ষাক লৈ অধিক উচ্চাকাংক্ষী ছাত্ৰ -ছাত্ৰীসকলক উদ্দেশ্যি প্ৰধানমন্ত্ৰীয়ে এয়া হৈছে তেওঁলোকৰ যাত্ৰাৰ এটা মাত্ৰ মাইলৰ খুটি বুলি উল্লেখ কৰে।

০০০০

ভাৰত আৰু ইৰাণে আজি ছাবাহাৰৰ শ্বহিদ বেহেষ্টি বন্দৰৰ  দীৰ্ঘম্যাদী পৰিচালনাৰ সন্দৰ্ভত চুক্তিত স্বাক্ষৰ কৰে। ইৰাণত আয়োজিত এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰীসোণোৱাল আজি পুৱা চৰকাৰী কাৰ্যসূচীৰে ইৰাণত উপস্থিত হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ উপস্থিতিত ইণ্ডিয়া প'ৰ্ট গ্লোবেল লিমিটেড আৰু ইৰাণৰ বন্দৰ আৰু সামুদ্ৰিক সংস্থাৰ মাজত চুক্তি স্বাক্ষৰিত হয়। এই চুক্তিয়ে চাবাহাৰত ভাৰতৰ দীৰ্ঘম্যাদী যোগসূত্ৰৰ ভেঁটি স্থাপন কৰিব বুলি শ্ৰীসোণোৱালে মন্তব্য কৰে। তেওঁ লগতে এই চুক্তি স্বাক্ষৰৰ ফলত চাবাহাৰ বন্দৰৰ কাৰ্যক্ষমতাৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পৰিব বুলিও  উল্লেখ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে সামাজিক মাধ্যমৰ এটা বাৰ্তাযোগে কয় যে, এই চুক্তিয়ে দুয়োখন দেশৰ দ্বিপাক্ষিক অংশীদাৰিত্বক এটা নতুন মাত্ৰা প্ৰদান কৰাৰ লগতে আফগানিস্তান, মধ্য এছিয়া আৰু ইউৰো-এছিয়াৰ সৈতে ভাৰতৰ যোগসূত্ৰ বৃদ্ধি  কৰাত সহায় কৰিব।

০০০০

কু-সংস্কাৰ আৰু অন্ধ বিশ্বাসৰ বিৰুদ্ধে আজীৱন যুঁজ দিয়া বিৰুবালা ৰাভাই আজি পুৱা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। গোৱালপাৰা জিলাৰ ৰাজহুৱা শ্মশানত আজি বিয়লি ৰাষ্ট্ৰীয় মৰ্যাদাৰে তেওঁৰ শেষকৃত্য সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে, কেন্দ্ৰীয় চৰকাৰে ২০২১ চনত প্ৰয়াত ৰাভাক দেশৰ চতুৰ্থ অসামৰিক সন্মান পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰিছিল। সমাজত প্ৰচলিত কু-সংস্কাৰ, ডাইনী প্ৰথাৰ বিৰুদ্ধে দুই দশকৰো অধিক কাল যুঁজ দি অহা বিৰুবালা ৰাভা সমাজৰ একাংশ লোকৰ অন্যায়ৰ বলি হোৱা নিৰীহ লোকসকলৰ বাবে **সাহৰ শিখা, সকাহৰ অন্য নাম** আছিল। ১৯৫৪ চনত গোৱালপাৰা জিলাৰ ঠাকুৰভিলাত জন্মগ্ৰহণ কৰা এইগৰাকী প্ৰগতিকামী মহিলাই সমাজত প্ৰচলিত কু-সংস্কাৰৰ বিৰুদ্ধে সচেতনতা সৃষ্টিৰ বাবে আজীৱন প্ৰচেষ্টা চলাইছিল।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিৰুবালা ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালেও বিৰুবালা ৰাভাৰ বিয়োগ অসমৰ সমাজ জীৱনৰ বাবে অপূৰণীয় ক্ষতি বুলি সামাজিক মাধ্যম যোগে শোকবাৰ্তা প্ৰেৰণ কৰিছে।

০০০০

কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী তথা বিজেপি নেতা অনুৰাগ সিং ঠাকুৰে আজি হিমাচল প্ৰদেশৰ হামিৰপুৰ সংসদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন দাখিলৰ সময়ত তেওঁৰ সৈতে জ্যেষ্ঠ বিজেপি নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফেছৰ প্ৰেম কুমাৰ ধুমল উপস্থিত থাকে। শ্ৰীঠাকুৰে হামিৰপুৰ সংসদীয় সমষ্টিৰ পৰা এতিয়ালৈকে একেৰাহে চতুৰ্থবাৰ নিৰ্বাচনত জয়লাভ কৰিছে আৰু এইবাৰ পঞ্চমবাৰৰ বাবে তেওঁ এই আসনখনৰ বাবে প্ৰতিদ্বন্দিতা কৰিছে। আনহাতে, চিমলা সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী তথা বৰ্তমানৰ সাংসদ সুৰেশ কাশ্যপেও আজি মনোনয়ন দাখিল কৰে। কংগ্ৰেছ প্ৰাৰ্থী বিনোদ চুলতানপুৰীয়েও এই আসনখনৰ বাবে মনোনয়ন দাখিল কৰিছে।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছতে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইদাৰ্ছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাত কালি অনুষ্ঠিত প্ৰথমখন খেলত চেন্নাই চুপাৰ কিংছে ৰাজস্থান ৰয়েলছক ৫ উইকেটত পৰাস্ত কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত ৰয়েল চেলেঞ্জাৰ্ছ  বেংগালুৰুয়ে দেলহী কেপিটেলছক ৪৭ ৰাণত পৰাজিত কৰে। আনহাতে, গুৱাহাটীৰ এ চি এ ষ্টেডিয়ামত ১৫ আৰু ১৯ মে'ত হবলগীয়া আই পি এল খেল দুখনৰ বাবে ৰাজস্থান ৰয়েলছৰ দলটো আজি বিয়লি গুৱাহাটীত আহি উপস্থিত হৈছে। দলটোৱে ১৫ মে'ত পঞ্জাৱ কিংছৰ আৰু ১৯ মে'ত কোলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। পঞ্জাৱ কিংছৰ দলটো কালিয়ে গুৱাহাটী পাইছেহি।

০০০০

সমাপ্ত